# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-04-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ। ভোটগ্ৰহণ হ'বলগীয়া ৪টা সমষ্টিত জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম লোকৰ বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি গুৱাহাটীত নিৰ্বাচনী প্ৰচাৰ।

৩। অসম আৰক্ষীৰ বিশেষ অভিযানত কালি প্ৰায় ১৪ কোটি টকা মূল্যৰ হেৰ'ইন আৰু অবৈধ বিদেশী চিগাৰেট জব্দ।

৪। চাংহাইত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপত ভাৰতীয় দলৰ বৰ্তমানলৈকে ৫ টা সোণ, ২ টা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ ৮ টা পদক অৰ্জন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ খেলত কলকাতা নাইট ৰাইডাৰ্ছ, দেলহী কেপিটেলছৰ মুখামুখি।

০০০০০০০

০০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। এই পৰ্যায়ত গুৱাহাটী, ধুবুৰী, বৰপেটা আৰু কোকৰাঝাৰ লোকসভা সমষ্টিত ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰাৰ্থী আৰু নেতাসকল সম্প্ৰতি প্ৰচাৰত ব্যস্ত হৈ পৰা দেখা গৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কোকৰাঝাৰ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয় যে বিজেপি আৰু ইউ পি পি এলৰ সন্মিলিত প্ৰচেষ্টাত বিটিআৰত এতিয়া শান্তিৰ পৰিবেশে বিৰাজ কৰিছে। শান্তি ঘূৰি অহাৰ বাবে অঞ্চলটোত উন্নয়নো সম্ভৱপৰ হৈছে বুলি ড° শৰ্মাই দাবী কৰে। বাওখুংগ্ৰী আৰু পৰ্বতঝোৰাত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰ তথা ৰাজ্যত বিজেপি নেতৃত্বৰ চৰকাৰৰ মহিলা সৱলীকৰণৰ আঁচনিৰ জৰিয়তে অসমৰ নাৰী শক্তি উপকৃত হৈছে বুলি দাবী কৰে। ড° শৰ্মাই নৰেন্দ্ৰ মোদীক পুনৰ প্ৰধানমন্ত্ৰী পতাৰ বাবে বিজেপি মিত্ৰজোঁটক ভোট দিবলৈ সকলোকে আহ্বান জনায়।

গুৱাহাটী সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে কালি মহানগৰৰ বশিষ্ঠ, বতাহঘুলি, পাঞ্জাবাৰী, সোণাপুৰ, দক্ষিণগাঁও আৰু কাহিলীপাৰাকে ধৰি কেইবাটাও স্থানত প্ৰচাৰ চলায়। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ কালি মন্ত্ৰী ডাঃ ৰণোজ পেগু, যোগেন মহন, অজন্তা নেওগ আৰু বিমল বৰাই মহানগৰৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। সমষ্টিটোৰ কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়েও কালি ৰাণীত নিৰ্বাচনী প্ৰচাৰ চলায়। এই প্ৰচাৰ অভিযানত শাসকপক্ষক সমালোচনা কৰি কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে জনসাধাৰণক বিবেক ভোট দিবলৈ আহ্বান জনায়।

অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা আৰু বিজেপি নেতা তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি বৰপেটা লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সৈতে নলবাৰীত বাইক ৰেলীৰে প্ৰচাৰ চলায়।

তেওঁলোকে বিভিন্ন স্থানত নিৰ্বাচনী সভাতো অংশগ্ৰহণ কৰে। সমষ্টিটোৰ এছ্ ইউ চি আইৰ প্ৰাৰ্থী ডাঃ চিত্ৰলেখা দাসে সৰু সৰু পথ সভাৰে ভোটদাতাৰ মনোযোগ আকৰ্ষণৰ চেষ্টা কৰে। সমাজ পৰিৱৰ্তন আৰু শ্ৰমজীৱী মানুহৰ অভাৱ-অভিযোগ তথা সমস্যাৰ হকে মাত মতাৰ প্ৰতিশ্ৰুতিৰে নিৰ্বাচনী যুঁজত নমা প্ৰাৰ্থীগৰাকীয়ে শাসকপক্ষক সমালোচনা কৰে।

ধুবুৰী লোকসভা সমষ্টিৰ এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী তথা সাংসদ মৌলানা বদৰুদ্দিন আজমলে কালি সমষ্টিটোৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ ভেল্টাৰঘাটত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত সাংসদগৰাকীয়ে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীক সমালোচনা কৰাৰ লগতে তেওঁ বিগত তিনিটা কাৰ্যকালত কৰি অহা উন্নয়নমূলক কামৰ খতিয়ান দিয়ে। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে ধুবুৰী জিলাৰ চুনাৰিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে অংশগ্ৰহণ কৰে। তেওঁলোকে সমষ্টিটোৰ সৰ্বাংগীন উন্নয়ন আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাতৃত্ববোধ অটুট ৰখাৰ স্বাৰ্থত বিৰোধী প্ৰাৰ্থীগৰাকীৰ সপক্ষে ভোটদান কৰিবলৈ আহ্বান জনায়।

কোকৰাঝাৰ লোকসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী খাম্ফা বৰগয়াৰীয়ে কালি বাক্সা জিলাৰ সাউদৰভিঠাত প্ৰচাৰ চলায়। নিৰ্বাচনী সভাত তেওঁ ইউ পি পি এল দলক সমালোচনা কৰি সমষ্টিটোৰ ৭০ শতাংশ ভোটদাতাই বিপিএফক ভোট দিব বুলি উল্লেখ কৰে।

oooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ নিৰ্বাচনী প্ৰচাৰৰ বাবে আজি ৰাজ্যখনলৈ আহিব। তেওঁ গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলাব। শ্ৰী শ্বাহে আজি মহানগৰত বৃহৎ ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ নিৰ্বাচনী সূচীৰ লগত সংগতি ৰাখি কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ পথত যান-বাহনৰ চলাচলত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই পথসমূহত ড্ৰোণৰ উৰণ আৰু আতচবাজী নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰা হৈছে। মহানগৰ যান-বাহন নিয়ন্ত্ৰণ শাখাই এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি আজি ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ভি আই পি উৰণ সেঁতুৰ পৰা জালুকবাৰী ৰটাৰী পৰ্যন্ত দুপৰীয়া ১২ বজাৰ পৰা নিশা ৯ বজালৈকে বাণিজ্যিক যান-বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। জিলা আয়ুক্তৰ নিৰ্দেশ অনুসৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা জালুকবাৰী মালিগাঁও চাইকেল ফেক্টৰী তিনিআলিৰ হৈ লালগণেশলৈকে পথছোৱাত বিশেষ নিৰ্দেশনা বাহাল থাকিব। মহানগৰৰ আন কেইবাটাও পথতো যান-বাহন চলাচলৰ ক্ষেত্ৰত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ ৰোড শ্ব'ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও অংশগ্ৰহণ কৰিব।

oooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৪টা সমষ্টিত জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষমসকলৰ বাসগৃহৰ পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। বৰপেটা জিলাত কালি ৪১ গৰাকী ভোটদাতাৰ বাসগৃহলৈ গৈ ভোটগ্ৰহণ কৰা হয়। জিলাখনত এই প্ৰক্ৰিয়াৰ বাবে গঠন কৰা ১৩টা গোটে ১৪০ গৰাকী ভোটদাতাৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। আজিৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি বৰপেটা নিৰ্বাচনী বিষয়াই প্ৰকাশ কৰিছে। বজালী জিলাতো বাসগৃহৰ পৰা ভোটদান প্ৰক্ৰিয়া অব্যাহত আছে। জিলাখনত এই ব্যৱস্থাৰে ৮৫ বয়সৰ ঊৰ্ধৰ আৰু ১০৭ গৰাকী আৰু বিশেষভাৱে সক্ষম ২৬ গৰাকী ভোটদাতাই ভোটদান কৰিব।

ooooooo

বিশেষ কৰ্ম বাহিনীয়ে গুৱাহাটীৰ খানাপাৰাত অভিযান চলাই প্ৰায় ১২ কোটি টকা মূল্যৰ হেৰ'ইন জব্দ কৰে। আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তৰ তদাৰকত অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ কুমাৰ পাঠকে চলোৱা এই অভিযানত এখন সৰু গাড়ীৰ পৰা হেৰ'ইনখিনি জব্দ কৰিছে। ঘটনা সংক্ৰান্তত দুজন লোকক আটক কৰা হৈছে।

ইপিনে শুল্ক বিভাগে গুৱাহাটীৰ সমীপৱৰ্তী মিৰ্জাত কালি অভিযান চলাই চোৰাংকৈ সৰবৰাহ কৰা ৭৬ কাৰ্টন বিদেশী চিগাৰেট জব্দ কৰে। জব্দ কৰা চিগাৰেটখিনিৰ মূল্য প্ৰায় ২ কোটি টকা বুলি প্ৰকাশ কৰা হৈছে। এই সন্দৰ্ভত শুল্ক বিভাগে তদন্ত অব্যাহত ৰাখিছে।

oooooo

অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা বুধবাৰৰ পৰা প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। ইয়াৰ বিপৰীতে অহা তিনিদিন পৰ্যন্ত পশ্চিমবংগ, ওড়িশা, বিহাৰ আৰু ঝাৰখণ্ডৰ বিভিন্ন অঞ্চলত গ্ৰীষ্ম প্ৰবাহ অব্যাহত থাকিব। বতৰ বিজ্ঞান বিভাগে কৈছে যে, অনাগত দুদিনত পূৰ ভাৰতত তাপমাত্ৰা প্ৰায় একৰ পৰা ২ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাব।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শেহতীয়াকৈ হোৱা প্ৰচণ্ড ধুমুহা আৰু শিল বৰষুণৰ ফলত ১১ খন জিলাৰ ১১১খন গাঁও ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰী সূত্ৰ অনুসৰি এই দুৰ্যোগৰ ফলত শিৱসাগৰ, নগাঁও, হাইলাকান্দি, হোজাই, ডিব্ৰুগড়, মাজুলী আৰু কাছাৰ জিলাৰ মুঠ ৪ হাজাৰৰো লোক ক্ষতিৰ সন্মুখীন হৈছে। ইয়াৰ ভিতৰত কাছাৰ জিলাত সৰ্বাধিক ৩৬ খন গাঁৰৰ ২ হাজাৰ ৯২৩ জন লোক ক্ষতিৰ সন্মুখীন হৈছে। অৱশ্যে এই দুৰ্যোগত কোনো লোকৰ প্ৰাণহানি হোৱা নাই।

ooooooo

টাই-আহোম যুৱ পৰিষদৰ বীৰাংগনা মূলাগাভৰু বঁটা প্ৰদান অনুষ্ঠান ১৯ মে'লৈ পিছুৱাই দিয়া হৈছে। বীৰাংগনা মূলাগাভৰুৰ জীৱনাদৰ্শক সোঁৱৰি ২০২৩ বৰ্ষৰ পৰা চৰাইদেউ জিলা সমিতিয়ে অসমৰ কেইবাগৰাকীও বৰেণ্য নাৰীক প্ৰদান কৰি আহিছে। এইবাৰ প্ৰথমগৰাকী অসমীয়া মহিলা বিমান চালক ধীৰা চলিহা হাজৰিকালৈ এই বঁটা আগবঢ়োৱা হৈছে। এই উদ্দেশ্যে সোণাৰী ভগৱতী প্ৰসাদ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অহা আজি আৰু কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে বীৰাংগনা মূলাগাভৰু স্মৃতি দিৱস আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছিল যদিও শেহতীয়াকৈ অহা এজাক প্ৰচণ্ড ধুমুহাই এই অনুষ্ঠানৰ বাবে নিৰ্মাণ কৰা সভাগৃহ ভাঙি তচনচ কৰি পেলোৱাৰ ফলত অনুষ্ঠানটো অহা ১৯ মে'ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আয়োজক সমিতিয়ে অনুষ্ঠানটোত ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে।

ooooooo

বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকাক কালি দেৰগাঁও কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনে ডাঃ উপেন কাকতি বঁটা প্ৰদান কৰে। আনহাতে, লোকশিল্পী বিপুল চেতিয়া ফুকনক জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ বঁটা প্ৰদান কৰা হয়। দেৰগাঁও নৰেন শৰ্মা স্মৃতি পথাৰত অনুষ্ঠিত  ৰঙালী বিহু সন্মিলনৰ দুয়োগৰাকী বিশিষ্ট শিল্পীক ফুলাম গামোচা, চেলেং, স্মাৰক, জাপি, স্মৃতিগ্ৰন্থ আৰু নগদ ধনেৰে সন্মান জনোৱা হয়। দুদিনীয়াকৈ অনুষ্ঠিত ৰঙালী বিহু সন্মিলনত বিহুৱতীকে ধৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। সাহিত্যিক, শিক্ষাব্ৰতী ড° কালীপ্ৰসাদ গোস্বামী সোঁৱৰণী মঞ্চত অনুষ্ঠিত মুকলি সভাত কালি বিশিষ্ট বিজ্ঞানী চৌধুৰী নাথ শইকীয়াই সন্মিলনৰ স্মৃতিগ্ৰন্থ কেতেকী উন্মোচন কৰে।

oooooooo

চাংহাইত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপত ভাৰতীয় দলটোৱে বৰ্তমানলৈকে ৫ টা সোণ, ২ টা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ ৮ টা পদক লাভ কৰিছে।

পুৰুষৰ ৰিকাৰ্ভ শাখাত ভাৰতীয় খেলুৱৈ ধিৰাজ বোম্মাদেৱড়া, তৰুণদেৱ ৰয় আৰু প্ৰবীন যাদৱৰ যুটীটোৱে দক্ষিণ কোৰিয়াক হৰুৱাই সোণৰ পদক লাভ কৰে। আৰ্চাৰী বিশ্বকাপ ফাইনেলত ভাৰতীয় পুৰুষৰ ৰিকাৰ্ভ দলৰ এয়া হৈছে প্ৰথমটো ঐতিহাসিক জয়। এই জয়ে পেৰিছ অলিম্পিকত দলটোৰ অংশগ্ৰহণৰ সম্ভাৱনা বৃদ্ধি কৰিছে।

ইফালে, দিপিকা কুমাৰীয়ে মহিলা ৰিকাৰ্ভৰ ব্যক্তিগত শাখাৰ ফাইনেলত এছিয়ান গেমছৰ চেম্পিয়ন দক্ষিণ কোৰিয়াৰ লিম চিয়নৰ হাতত পৰাজিত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

০০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, দেলহী কেপিটেলছৰ মুখামুখি হ'ব।

আই পি এল ক্রিকেট প্ৰতিযোগিতাত কালি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছক ৯ উইকেটত পৰাস্ত কৰে। বেংগালুৰুৱে ২০১ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰত এটা উইকেট হেৰুৱাই ২০৬ ৰাণ কৰি বিজয় সাব্যস্ত কৰে। বেংগালুৰুৰ হৈ উইল জেকচে সৰ্বাধিক ১০০ ৰাণ কৰাৰ বিপৰীতে বিৰাট কোহলীয়ে ৭০ ৰাণ কৰি অপৰাজিত হৈ থাকে।

প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু চেন্নাই ছুপাৰ কিংছৰ মাজত অনুষ্ঠিত হয়। এই খেলখনত চেন্নাই ছুপাৰ কিংছ দলটো ৭৮ ৰানত জয়ী হয়।

০০০০০০০

চীনৰ চেংডুত অনুষ্ঠিত উবেৰ কাপ বেডমিণ্টন প্ৰতিযোগিতাত ছিংগাপুৰৰ বিপক্ষে ৪-১ ফলাফলত জয়লাভ কৰি ভাৰতৰ মহিলা দলটো কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইপিনে গ্ৰুপ এৰ একক শাখাৰ খেলত ইঅ জিয়া মিনে অস্মিতা চলিহাক ১৫-২১, ১৮-২১ পোনপটীয়া ছেটত পৰাস্ত কৰে। পাছত ৰাষ্ট্ৰীয় চেম্পিয়ন প্ৰিয়া খাংজেংবাম আৰু শ্ৰুতি মিশ্ৰই জীআউ এন হেঙ আৰু জিন ইউ জিয়াক ২১-১৫, ২১-১৬ ছেটত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ একক শাখাৰ দ্বিতীয়খন খেলত অসম সন্তান ইশাৰাণী বৰুৱাই-ইছিৰা খানক ২১-১৩, ২১-১৬ ছেটত পৰাস্ত কৰে। দ্বৈত শাখাৰ দ্বিতীয়খন খেলত চীমৰন সিংঘি আৰু ৰিতিকা ঠাকৰেৰ যুটীটোৱে জয়লাভ কৰাৰ বিপৰীতে আনমন খত্ৰে, লী চিন মেগনক পৰাস্ত কৰাত ভাৰতে ৪-১ ফলাফলৰ অগ্ৰগতি লাভ কৰে।

চীনৰ পাছতে ভাৰতৰ মহিলা দলটো গ্ৰুপ এৰ দ্বিতীয় স্থানত আছে। গ্ৰুপ এৰ শীৰ্ষ স্থানৰ বাবে দুয়োটা দলৰ মাজত অহা মঙলবাৰে চূড়ান্ত খেল অনুষ্ঠিত হ'ব।

ইপিনে পুৰুষৰ থ'মাছ কাপত গ্ৰুপ চিত থকা ভাৰতে আজি গ্ৰুপৰ দ্বিতীয়খন খেলত ইংলেণ্ডৰ মুখামুখি হ'ব। প্ৰথমখন খেলত ভাৰতে থাইলেণ্ডক ৪-১ ফলাফলত পৰাস্ত কৰে।

০০০০০০০

পৰেশ বৰুৱা নেতৃত্বাধীন আলফা স্বাধীনক আলোচনাৰ মেজলৈ অনাটো মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰৱৰ্তী লক্ষ্যৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ কাকতে মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতৰ ৰজা-মহাৰজাসকলক অপমান কৰা কিন্তু নবাবসকল, নিজামসকল, চুলতানসকল আৰু বাদশ্বাহসকলে চলোৱা অত্যাচাৰৰ বিষয়ত মৌন বুলি কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিযুক্ত কৰা বাতৰিটোক দৈনিক জনমভূমি কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্ণাংগ বিচাৰপীঠৰ ৰায়- আন্তঃজিলা স্থানান্তৰ নহয় বিদেশী ন্যায়াধীকৰণৰ গোচৰ শিৰোনামেৰে বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আম আদমী পাৰ্টীয়ে চলিত লোকসভা নিৰ্বাচনত ব্যৱহাৰ কৰা নিৰ্বাচনী সংগীত সলনি কৰিবলৈ নিৰ্বাচনী আয়োগে দিয়া নিৰ্দেশৰ বাতৰিটোক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বজাৰলৈ আনি থকা অৱস্থাত মহানগৰৰ খানাপাৰাস্থিত অসম লোকসেৱা আয়োগৰ কাৰ্যালয়ৰ সমীপত জব্দ হয় ১২ কোটি টকাৰ হেৰ'ইন, বাতৰিটোক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰখৰ ৰ'দক নেওচি উত্তৰ কাছিমপুৰত বিশাল সভা, একেদিনাই নলবাৰীত চাৰিখন সভা ৰেলীৰে চমক মিত্ৰজোঁটৰ শিৰোনামেৰে বাতৰিটোক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

হিতাধিকাৰী কেন্দ্ৰিক ৰাজনীতিক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লৈ নিৰ্বাচনী প্ৰচাৰ চলায় গুৱাহাটীৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে বাতৰিটোক অসমীয়া প্ৰতিদিন কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Talks with China on smoothly : Rajnath শিৰোনামেৰে দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

Changes in exam pattern, practical exam marks, SEBA notifies new guidlines for HSLC exam in 2025 শিৰোনামেৰে বাতৰিটো দা ছেণ্টিনেল বাতৰি কাকতখনে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ৰাজ্যত ধুমুহা-শিলাবৃষ্টিৰ তাণ্ডৱত বিস্তৰ ক্ষতিসাধন, আহত বহু লোক, বিশ্বনাথত আৰক্ষীৰ অভিযানত আটক তিনি জুৱাৰী, মণিপুৰত পুনৰ হিংসা-দুটা পক্ষৰ মাজত প্ৰচণ্ড গুলীয়াগুলিত এজন নিহত, তিনিজন আহত, নলবাৰীত ফণীভূষণ চৌধুৰীৰ হৈ বিশাল ৰোড শ্ব' ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**